**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো এদিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ৰাজ্যবাসীয়ে বেদীত দুৰ্গাৰ প্ৰতিমূৰ্তি স্থাপন কৰি পূজা-অৰ্চনাৰ বাবে সাজু হৈছে যদিও জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ম্ৰিয়মান হৈ থকাৰ বাবে পূজাৰ উছাহ ম্লান পৰিছে। শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাচ্ছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই।

শাৰদীয় নৱৰাত্ৰিৰ কালি চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। দেওবাৰে ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰা হ'ব। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে।

oooooo

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ অনুসন্ধানকাৰী গোট- এছ্ আই টিৰ এটা দলে কালি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ গুৱাহাটীৰ গীতানগৰত থকা বাসভৱনত প্ৰাৰম্ভিক তদন্ত চলায়। মুখ্য অনুসন্ধানকাৰী বিষয়া ৰ'জী কলিতাৰ নেতৃত্বত এছ্ আই টিৰ দলে জালুকবাৰীৰ গাড়ীগাঁৱত জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীৰ বাসগৃহলৈ গৈ তেওঁক কেইবাঘণ্টা ধৰি সোধা-পোছা কৰে। চি আই ডিয়ে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহতো অভিযান চলায়। চি আই ডিৰ অভিযানৰ সময়তে মেনেজাৰজনৰ ঘৰৰ বাহিৰত উত্তেজিত জনতাক আৰক্ষীয়ে বহু কষ্ট কৰি নিয়ন্ত্ৰণ কৰে। জুবিন গাৰ্গৰ ছিংগাপুৰৰ সাগৰত বুৰি দুৰ্ভাগ্যজনকভাৱে মৃত্যু হোৱা ঘটনা সন্দৰ্ভত এছ্ আই টিয়ে সেই দলৰ সৈতে ছিংগাপুৰলৈ যোৱা সকলো ব্যক্তিকে সোধা-পোছা কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰাৰ লগতে ঘটনাৰ সৈতে সম্পৰ্ক থকা যিকোনো বিশ্বাসযোগ্য তথ্য কাৰোবাৰ হাতত থাকিলে সেইসমূহ পোনপটীয়াকৈ digp-cid@assampolice.gov.in লৈ মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। ডঃ শৰ্মাই এছ্ আই টিৰ তদন্তৰ ওপৰত ভৰষা ৰাখিবলৈ ৰাজ্যবাসীক আহ্বান জনাইছে। তেওঁ কয়, যে শিল্পীগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ কৰাত এছ্ আই টি ব্যৰ্থ হ'লে চি বি আইৰ দ্বাৰা তদন্ত কৰোৱা হ'ব।

oooooo

অসম সাহিত্য সভাই শিল্পী জুবিন গাৰ্গৰ ৰচনাৱলী প্ৰস্তুত কৰাৰ বাবে বিশেষ পদক্ষেপ লৈছে। এই ৰচনাৱলী ২০২৬ বৰ্ষত প্ৰকাশ কৰা হ'ব বুলি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে প্ৰকাশ কৰিছে। অসম

সাহিত্য সভাই যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি সভাপতিগৰাকীয়ে কয়, যে শিল্পীগৰাকীৰ জীৱনী প্ৰাৰম্ভিক পৰ্যায়ত অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত ৰাজ্যৰ সঁহাৰি পালে এই সংকলন তামিল, তেলেগু, কানাড়া আৰু মালায়ালম ভাষালৈ অনুবাদ কৰা হ'ব। তেওঁ কয়, যে জুবিন গাৰ্গ কেৱল শিল্পীয়েই নাছিল, তেওঁ প্ৰতিগৰাকী অসমীয়াৰ প্ৰাণ আৰু আত্মাৰ স্বৰূপ আছিল। শিল্পীগৰাকীৰ প্ৰতি অসমবাসীয়ে দেখুওৱা শ্ৰদ্ধা বিশ্বতেই বিৰল বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত আজি পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আজি ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হয়। ইপিনে, কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান যোৱা বুধবাৰৰপৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

০০০০০০

সমাপ্ত